**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-01-2025
**Time :** 1800 Hrs

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুম্বাইত দেশৰ ব্যৱসায়িক ক্ষেত্ৰৰ কেইবাগৰাকীও গুৰুত্বপূৰ্ণ ব্যক্তিক সাক্ষাৎ কৰি অসমত তেওঁলোকৰ বিনিয়োগ পৰিকল্পনা আৰু অন্যান্য দিশসমূহ আলোচনা কৰে। ড০ শৰ্মাই এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ তেওঁলোকক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বিস্তৃত বিনিয়োগ সম্ভাৱনা উদঘাটন কৰাৰ বাবে সহায় আগবঢ়াবলৈও তেওঁলোকক অনুৰোধ জনায়। ড০ শৰ্মাই আজি দেশৰ এটা আগশাৰীৰ ব্যক্তিগত বেংকৰ মুখ্য কাৰ্যবাহী বিষয়া শশীধৰ জগদিশনক সাক্ষাৎ কৰি প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাক অগ্ৰাধিকাৰ দি ৰাজ্যখনৰ অৰ্থনীতি সবল কৰাৰ দিশত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ বিষয়ে অৱগত কৰে। তেওঁ কয়, যে ৰাজ্য চৰকাৰে দক্ষ আৰু অনুশাসন মানি চলা কৰ্মশক্তিৰ জৰিয়তে দেশৰ ক্ৰমবৰ্ধমান বেংকিং উদ্যোগক কেইবাটাও সুযোগ প্ৰদান কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে আজি এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সন্মিলনৰ সজাগতা সৃষ্টিৰ বাবে এটা বিশেষ কাৰ্যসূচীতো অংশগ্ৰহণ কৰে।

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি শিৱসাগৰ জিলাৰ চেৰেকাপাৰত আতন বুঢ়াগোহাঁই মৈদামৰ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধন আঁচনিৰ আধাৰশিলা স্থাপন কৰে। এই আঁচনিৰ অধীনত টাই-আহোম উন্নয়নৰ পৰিষদৰ ৪৫ লাখ টকাৰে মৈদামথলীৰ চৌপাশে পকীবেৰ নিৰ্মাণ কৰাৰ লগতে এই মৈদামৰ উন্নয়ন সাধন কৰা হ'ব বুলি শ্ৰীমাৰ্ঘেৰিটাই জানিবলৈ দিয়ে। তেওঁ লগতে স্বৰ্গদেউ চক্ৰধবজ সিংহৰ দিনত ৰাজমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰা বুঢ়াগোহাঁইৰ স্মৃতি সোঁৱৰণ কৰে-

**বাইট (পবিত্ৰ মাৰ্ঘেৰিটা)**

০০০০০০

কাৰ্বি আংলং জিলাৰ বিভিন্ন প্ৰান্তত আজি কাৰ্বি জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত ৰীতি-নীতিৰে ৰংকেৰ পূজা পালন কৰে। জিলাখনৰ সদৰ ডিফুৰ লগতে অন্যান্য স্থানতো এই পূজাৰ আয়োজন কৰা হয়। পূজাৰ অংশ হিচাপে পুৰোহিতসকলে ৰাইজৰ অপায়-অমঙ্গল দূৰ কৰি সমাজত শান্তি আৰু ভাতৃত্ববোধৰ মনোভাৱ গঢ়ি উঠাৰ কামনা কৰে। উল্লেখযোগ্য যে কাৰ্বি জনগোষ্ঠীৰ লোকসকলে শীতকালত এই আনন্দোৎসৱ পালন কৰি বছৰটোলৈ শস্যৰ শ্ৰীবৃদ্ধি কামনা কৰাৰ লগতে সকলো বিপদ-বিঘিনি দূৰ কৰিবলৈ দেৱ-দেৱীক প্ৰাৰ্থনা জনায়। এই উৎসৱক ৰংকেৰ কাচিৰডম বা দেহাল পূজা হিচাপেও জনা যায়।

০০০০০০

শিৱসাগৰ নগৰৰ সমীপৰ পানবেচা বেটনাত আজি প্ৰথমবাৰৰ বাবে মাৰাথনৰ আয়োজন কৰা হয়। পানবেচা টাইকোৱানডো একাডেমী আৰু স্থানীয় ৰাইজৰ সহযোগত আয়োজিত এই মাৰাথনত কোকৰাঝাৰ,

বঙাইগাঁও, ডিব্ৰুগড়কে ধৰি কেইবাখনো জিলাৰ ২০০ৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ২১ কিলোমিটাৰ দূৰত্বৰ এই মাৰাথনত গোলাঘাটৰ তিলেশ্বৰ কুৰ্মীয়ে প্ৰথমস্থান দখল কৰে। এই মাৰাথনৰ সৈতে সংগতি ৰাখি পুৰা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ আৰু সম্বৰ্ধনাকে ধৰি ভালেমান কাৰ্যসূচী লোৱা হৈছিল। মূল মাৰাথনৰ পূৰ্বে মহিলা আৰু কিশোৰীসকলৰ মাজত মিনি মাৰাথন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল।

০০০০০০

শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ অন্যতম শিক্ষানুষ্ঠান জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শতবৰ্ষ অনুষ্ঠানৰ মূল কাৰ্যসূচী আজি আৰম্ভ হৈছে। চাৰিদিনীয়া কাৰ্যসূচীৰ আজি প্ৰথম দিনা বিধায়ক পদ্ম হাজৰিকাই শুভাৰম্ভ কৰে। ইয়াৰ পাছতে পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমাৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৭ বাজি ৪৫ মিনিটত অসমত বান নিয়ন্ত্ৰণৰ বাবে নিৰ্মাণ কৰা মথাউৰিসমূহৰ কাৰ্যকাৰিতা সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। অনুষ্ঠানটো প্ৰযোজনা আৰু উপস্থাপন কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

**সমাপ্ত**